**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-03-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

ডিব্ৰুগড়ক বৌদ্ধিক বিকাশৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ওপৰত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৰুত্ব আৰোপ কৰিছে। কালি ডিব্ৰুগড়ত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে।

কেন্দ্ৰীয় বিদ্যালয়সমূহে গুণগত শিক্ষাৰ প্ৰসাৰেৰে দেশত মানৱ সম্পদ গঢ় দিয়াত অগ্ৰণি ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে শৈক্ষিক ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে জ্ঞান অন্বেষণৰ লগতে সৃষ্টিশীলতা, উদ্ভাৱনী কৌশল আৰু ন-ন প্ৰযুক্তিৰ অৱলম্বনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সবলীকৰণত গুৰুত্ব দিবলৈ কেন্দ্ৰীয় বিদ্যালয়ৰ কৰ্তৃপক্ষক আহ্বান জনায়। উল্লেখযোগ্য যে ডিব্ৰুগড় নগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ কনভয় ৰোডত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰায় ৩৭ কোটি টকা ব্যয় সাপেক্ষে বিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে কালি অনুষ্ঠিত মাংগলিক অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মন্ত্ৰী প্ৰশান্ত ফুকন আৰু বিভিন্ন নিকায় নিগমৰ অধ্যক্ষ-উপাধ্যক্ষ উপস্থিত থাকে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা ডিব্ৰুগড়ৰ চৌকিডিঙিত ডাক বিভাগৰ ভৱনত অস্থায়ীভাৱে কেন্দ্ৰীয় বিদ্যালয়খনৰ পাঠদান চলি আহিছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ বৈঠকতো অংশগ্ৰহণ কৰে। এই  বৈঠকত জিলাখনৰ বিভিন্ন বিভাগত ৰূপায়িত আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। শ্ৰীসোণোৱালে চৰকাৰী নীতি নিৰ্দেশনা অনুসৰি পুঁজিৰ সঠিক ব্যৱহাৰৰ দ্বাৰা কাম-কাজসমূহ সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। কালিৰ বৈঠকত শক্তি, দক্ষতা বিকাশ, নিয়োগ আদি দপ্তৰৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু জিলাখনৰ বিধায়ককেইগৰাকী উপস্থিত থাকে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত স্থগিত ৰাখিছে। উচ্চ ন্যায়ালয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ নকৰা পৰ্যন্ত নথি পৰীক্ষণ স্থগিত থাকিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে এই পদসমূহৰ নিযুক্তি প্ৰক্ৰিয়াক লৈ একাংশ প্ৰাৰ্থীয়ে ওজৰ আপত্তি দৰ্শাই উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে পদসমূহৰ বাবে দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ আৰম্ভ কৰিব নোৱাৰিব বুলি ৰায় দিছিল। পদসমূহৰ বাবে শিক্ষা সঞ্চালকালয়ে কালি খানাপাৰাৰ অসম কৃষি

বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অতিথিশালাত প্ৰথম পৰ্যায়ৰ নথি পৰীক্ষণ সম্পন্ন কৰে। দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ অহা ১ এপ্ৰিলত আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে এই প্ৰক্ৰিয়া স্থগিত ৰখা হৈছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে  আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতে অনুষ্ঠানটোৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

যোৰহাট চিকিৎসা মহাবিদ্যালয় সমীপত নিৰ্মিত ৰে'লৰে উৰন সেতুৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উৰণ সেতুখন ৰাইজৰ বাবে মুকলি কৰিব। উৰণ সেতুখন উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাট মিছন হাস্পতালৰ সমীপত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰাৰ কথা। সেই উদ্দেশ্য কালি যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে সেতুখন পৰিদৰ্শন কৰি অন্তিম পৰ্যায়ৰ কামকাজ সন্দৰ্ভত বুজ লোৱাৰ লগতে সভাস্থলী পৰিদৰ্শন কৰে।

০০০০০

ঢকুৱাখনাৰ নাৰায়ণপুৰ চাপৰিত প্ৰসাদ খাই ৫০ জনৰো অধিক লোক শৌচ, বমি, পেটৰ বিষ, মূৰৰ বিষত আক্ৰান্ত হৈছে। অসুস্থ লোকসকলক ঢকুৱাখনা মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বৰ্তমানেও চিকিৎসালয়ত ৪০ জনৰো অধিক লোক চিকিৎসাধীন হৈ আছে। গুৰুতৰভাৱে অসুস্থ সকলক লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাতলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। বিয়লি চাৰে ৩ বজাত বিশাখাপট্টনমত হ'বলগীয়া প্ৰথমখন খেলত ডেলহী কেপিটেলছ চানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ সন্মুখীন হ'ব। খেলখনত অংশগ্ৰহণ কৰাৰ বাবে চেন্নাই ছুপাৰ কিংছৰ দলটো কালি সন্ধিয়া গুৱাহাটীত উপস্থিত হয়। আনহাতে গুৱাহাটীক দ্বিতীয় গৃহ চহৰ হিচাপে ঘোষণা কৰা ৰাজস্থান ৰয়েলছ দলটো গুৱাহাটীত আজি দ্বিতীয়খন খেল খেলিব।

গুজৰাট টাইটানছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩৬ ৰানত পৰাস্ত কৰে।

০০০০০

সমাপ্ত